Total No. of printed pages = 8

**63/2 (SEM-3) ASM 303, 304, 3.03(A,B)**

# 2021

(held in 2022)

## ASSAMESE

(Theory Paper)

Paper Code : ASM-303 (New)

**(Introduction To World Literature)**

Full Marks – 80

Time – Three hour

The figures in the margin indicate full marks for the questions.

১। চমুটোকা লিখা (যি কোনো চাবিটা) ঃ ৫×৪=২০

(ক) সাহিত্যৰ তালিকা

(খ) হাইকু

(গ) অৱস্থিতিবাদ

(ঘ) অপনায়ক

(ঙ) ৰোমান্টিক কবিতাৰ প্ৰধান বিশেষত্ব

[Turn over

তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া ঃ ১০×৩=৩০

২। বিশ্বসাহিত্যৰ ধাৰণাসহ ইয়াৰ বিৱৰ্তনত প্ৰভাৱ পেলোৱা কাৰকসমূহৰ চমু আভাস দাঙি ধৰা। ৪+৬=১০

৩। পাঠ্য কবিতাৰ আধাৰত ৰ'দলেৰ আৰু টি. এচ. এলিয়টৰ কবিতাত আধুনিক মানুহৰ জীয়াই থকাৰ বহুমাত্ৰিকতাৰ প্ৰকাশ কিদৰে ঘটিছে বিচাৰ কৰা। ১০

৪। 'দ্য চেয়ৰচ্' নাটকখনক এবচাৰ্ড নাটক বোলাৰ যথাৰ্থতা বিচাৰ কৰা। ১০

৫। 'মোপাৰ্চাঁৰ গল্পত মধ্যবিত্ত জীৱনৰ চিত্ৰ' — শীৰ্ষক এটি আলোচনা প্ৰস্তুত কৰা। ১০

তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৫×২=৩০

৬। 'গোলকীকৰণ আৰু সাহিত্য' শীৰ্ষক এটি বিশ্লেষণাত্মক প্ৰবন্ধ যুগুত কৰা। ১৫

৭। ৰূপক বুলিলে কি বুজা ? এলবাৰ্ট কেম্যুৰ 'দ্য প্লেগ' উপন্যাসখনৰ ৰূপকধৰ্মিতা বিচাৰ কৰা। ৩+১২=১৫

৮। পাঠ্য কবিতাৰ আধাৰত ওৱৰ্ডচৱৰ্থ আৰু শ্বেলীৰ কবিতাত প্ৰতিফলিত প্ৰকৃতি চিত্ৰণৰ বিভিন্ন দিশসমূহৰ এক খতিয়ান দাঙি ধৰা। ১৫



(Theory Paper)

Paper Code : ASM-304 (New)

(Structural Analysis of Assamese Language)

Full Marks – 80

Time – Three hour

The figures in the margin indicate full marks for the questions.

১। চমুটোকা লিখা (যি কোনো চাৰিটা) ঃ ৫×৪=২০

(ক) প্ৰকৃতি আৰু সৰ্গ

(খ) অসমীয়া ভাষাৰ লিংগ

(গ) শ্বাসাঘাত

(ঘ) উপধ্বনি

(ঙ) বিশেষণৰ তুলনা।

তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

২। ধ্বনিবিজ্ঞান কাক বোলে ? ই কেইপ্ৰকাৰৰ আৰু কি কি বুজাই লিখা। ৩+৭=১০

৩। কাৰক কাক বোলে ? অসমীয়া ভাষাত কাৰক কেইপ্ৰকাৰৰ আৰু কি কি ? প্ৰতিটোৰে সংজ্ঞা দিয়া আৰু কোনটো কাৰকত কি কি শব্দবিভক্তি যোগ হয়, উদাহৰণসহ ফঁহিয়াই আলোচনা কৰা। ২+২+৬=১০

৪। বচন কাক বোলে ? অসমীয়া ভাষাত একবচনৰ পৰা বহুবচন কৰাৰ সাধাৰণ পদ্ধতিবোৰ কি কি ? অসমীয়া ভাষাৰ বহুবচনাত্মক চিনবোৰক উৎসৰ দিশৰ পৰা কেইটা ভাগত ভগাব পাৰি ? ভাগকেইটা কি কি ? উদাহৰণসহ লিখা। ২+৩+৫=১০

৫। বাক্য কাক বোলে ? গঠন আৰু অৰ্থৰ দিশেৰে অসমীয়া বাক্যসমূহক কি কি ভাগত ভগোৱা হৈছে, উদাহৰণসহ বুজাই লিখা। ২+২+৬=১০

তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৫×২=৩০

৬। ভাষাৰ অধ্যয়ন ঘাইকৈ কোনকেইটা স্তৰৰ সৈতে জড়িত ? প্ৰতিটো স্তৰৰ বিষয়ে একোটাকৈ পৰিচয়মূলক টোকা যুগুত কৰা। ৩+১২=১৫

৭। সংস্কৃতৰ আদ্যস্বৰসমূহ অসমীয়ালৈ আহোঁতে কেনেদৰে পৰিবৰ্তন হৈ আহিছে, উদাহৰণসহ বুজাই লিখা। ১৫

৮। তলত দিয়া শব্দবোৰৰ মূল নিৰ্ণয় কৰি কেনেদৰে মূলৰ পৰা পৰিবৰ্তন হৈ ইবোৰৰ ব্যৱহাৰ হৈছে বিশ্লেষণ কৰি দেখুওৱা ঃ ১৫

| | | | | |
|---|---|---|---|---|
| নিয়ৰ | শিতান | কাঁড় | শেঙুন | হাড়ি |
| উনিশ | পাৰ | পথান | সঁচা | হুমুনিয়াহ |
| ঘোঁৰা | ভোক | ফেঁচা | বোপাই | নোম |



(Theory Paper)

Paper Code : ASM-3.03(A) (Old)

**(Introduction To World Literature In English Translation)**

Full Marks – 80

Time – Three hour

The figures in the margin indicate full marks for the questions.

১। চমুটোকা লিখা (যি কোনো চাৰিটা) ঃ ৪×৫=২০

(ক) সাহিত্যৰ তালিকা

(খ) অপনায়ক

(গ) ৰোমান্টিক কবিতাৰ বিষয়বস্তু

(ঘ) বাস্তৱবাদী নাটক

(ঙ) অবস্থিতিবাদ।

তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

২। বিশ্বসাহিত্যৰ বিৱৰ্তনৰ কাৰকসমূহ ব্যাখ্যা কৰা। ১০

৩। ওৱৰ্ডচৱৰ্থৰ Tintern Abbey কবিতাটোত প্ৰকৃতিৰ আধ্যাত্মিকীকৰণ কিদৰে কৰা হৈছে, ব্যাখ্যা কৰা। ১০

৪। অমৃতা প্ৰীতমৰ The Weed গল্পটোত প্ৰকাশিত নাৰী মনস্তত্ত্বৰ বিশ্লেষণ দাঙি ধৰা। ১০

৫। হেমিংৱেৰ The Old Man and The Sea উপন্যাসৰ ৰূপকধৰ্মিতা সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ১০

তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৫×২=৩০

৬। গোলকীকৰণ বুলিলে কি বুজা ? গোলকীকৰণে সাহিত্যৰ পৰিক্ষেত্ৰত কেনেধৰণৰ প্ৰভাৱ পেলাইছে, যথাযথ যুক্তি আৰু নিদৰ্শনসহ বিশ্লেষণ কৰা। ১৫

৭। পাঠ্য গল্পৰ আধাৰত মোপাৰ্চাৰ গল্পৰ বিষয়বস্তু আৰু নিৰ্মিতি সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা। ১৫

৮। "বাস্তৱবাদী নাটকত কাহিনীতকৈ চৰিত্ৰৰ নিৰ্মিতিত অধিক গুৰুত্ব প্ৰদান কৰা হয়।" — পাঠ্য নাটক An Enemy of the People নাটকখনৰ আধাৰত মন্তব্যটিৰ যথাৰ্থতা বিচাৰ কৰা। ১৫



(Theory Paper)

Paper Code : ASM-3.03(B) (Old)

## (Structural Analysis of Assamese Language)

Full Marks – 80

Time – Three hour

The figures in the margin indicate full marks for the questions.

১। চমুটোকা লিখা (যি কোনো চাৰিটা) ঃ ৫×৪=২০

(ক) নাম পদ

(খ) ধ্বনিবিজ্ঞান

(গ) বাগিন্দ্ৰিয়

(ঘ) যোগ্যতা - আকাঙ্ক্ষা - আসক্তি

(ঙ) |প| ৰ উপধ্বনি।

তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

২। সংস্কৃত ভাষাত স্বৰধ্বনিৰ সংখ্যা কিমানটা ? শব্দৰ আদিস্থানত অসমীয়া ভাষাত এইবোৰৰ ব্যৱহাৰত কেনেধৰণৰ পৰিৱৰ্তন পৰিলক্ষিত হয়। বুজাই লিখা। ১০

৩। 'পুৰুষ' কাক বোলে ? অসমীয়া ভাষাত বিভিন্ন কাল, ভাব আৰু বচনত 'পুৰুষ' সাধন কিদৰে কৰা হয়, বুজাই লিখা। ২+৮=১০

৪। অসমীয়া ভাষাত ক্রিয়াপদ কেইপ্রকাৰৰ আৰু কি কি ? ক্রিয়াপদৰ বিভাজন কেনেদৰে কৰা হৈছে ? ধাতু আৰু ক্রিয়াপদৰ সম্পর্ক কি ? সকলোটি দিশ সামৰি এটি আলোচনা যুগুত কৰা।

২+৫+৩=১০

৫। বিশেষণ কাক বোলে ? বিশেষণৰ তুলনার্থে অসমীয়া ভাষাত কি কি পদ্ধতি অৱলম্বন কৰা হয়, উদাহৰণসহ বুজাই লিখা।

২+৮=১০

তলৰ যি কোনো দুটা প্রশ্নৰ উত্তৰ লিখা ঃ ১৫×২=৩০

৬। ব্যঞ্জনধ্বনি কাক বোলে ? অসমীয়া ভাষাত ব্যঞ্জনধ্বনি কেইটা আৰু কি কি ? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী প্ৰতিটো ব্যঞ্জনৰে একোটিকৈ বিশ্লেষণ আগবঢ়োৱা। ২+৩+১০=১৫

৭। শব্দাৰ্থৰ পৰিৱৰ্তন বুলিলে কি বুজা ? কোনবোৰ কাৰণত শব্দাৰ্থৰ পৰিৱৰ্তন হয় ? অসমীয়া ভাষাত শব্দাৰ্থ পৰিৱৰ্তনৰ ধাৰাকেইটা কি কি, উদাহৰণসহ বুজাই লিখা। ৩+৬+৬=১৫

৮। অসমীয়া স্বৰধ্বনিসমূহৰ উপধ্বনিৰ এখন তালিকা প্রস্তুত কৰা আৰু প্ৰতিটো উপধ্বনিৰে বিশেষত্ব আৰু ব্যৱহাৰ বিশ্লেষণ কৰা। ১৫